জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৭৩/২০২২**

## ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু উদ্যোগসমূহৰ প্ৰতিনিধি, আগশাৰীৰ উদ্যোগপতিৰে মত-বিনিময় মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

# ভূ-তত্ত্ব আৰু খনি সঞ্চালকালয়, অসম আৰু এছ বি আই কেপৰ মাজত বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত

**দিছপুৰ, ১৬ জুন ঃ** অসমৰ ঔদ্যোগিক খণ্ডত বিনিয়োগ আৰু সম্প্ৰসাৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু উদ্যোগসমূহৰ প্ৰতিনিধি, আগশাৰীৰ উদ্যোগপতি আৰু বিনিয়োগকাৰীসকলৰ সৈতে আজি গুৱাহাটীত এক মত-বিনিময় অনুষ্ঠানত মিলিত হয়।

মুখ্যমন্ত্ৰীয়ে ড° শৰ্মাই কয় যে ৰাজ্যখনত এক ঔদ্যোগিক বাতাবৰণ গঢ়ি তোলাৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে। ৰাজ্যখনত উদ্যোগ স্থাপন, সম্প্ৰসাৰণ আৰু বিনিয়োগৰ দিশটোৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত উদ্যোগ স্থাপনৰ সহায়ক হোৱাকৈ ৰাজ্য চৰকাৰে ঔদ্যোগিক খণ্ডত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে উদ্যোগসমূহে সাধাৰণতে ৰাজহ নীতি, বনভূমি পৰিৱৰ্তন, শক্তিৰ উপলব্ধতা আৰু ব্যৱসায়ৰ সুচলতা আদি বিভিন্ন নীতি-নিয়মৰ বাবে সমস্যাৰ সন্মুখীন হৈ আহিছে। সেইসমূহ আঁতৰাই বাণিজ্যিক সুচলতা অনাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এক কৌশল প্ৰস্তুত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। ৰাজহ নীতিৰ অবিৰত সংস্কাৰ সাধনৰ বাহিৰেও বিগত বৰ্ষটোত ৰাজ্যৰ শক্তিখণ্ডই আয় বৃদ্ধি কৰি এক ইতিবাচক দিশলৈ ধাবিত হ'বলৈ সক্ষম হৈছে। যাৰ ফলত সকলো ঔদ্যোগিক প্ৰতিষ্ঠানক শক্তি যোগান ধৰিব পৰা যাব বুলি তেওঁ কয়। এছিয়ান ডেভেলপমেণ্ট বেংক, বিশ্ব বেংক আদিৰ জৰিয়তে বৰ্হি সাহায্যপ্ৰাপ্ত বিভিন্ন আঁচনিৰ দ্বাৰা বিতৰণ ব্যৱস্থাত যথেষ্ট উন্নতি সাধন কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যখনৰ শক্তিখণ্ডৰ উন্নয়নৰ বাবে ভাৰত চৰকাৰে অলপতে শক্তিখণ্ডৰ বিভিন্ন আঁচনিৰ বাবে প্ৰায় ৬ হাজাৰ কোটি টকাৰ অনুমোদন জনাইছে। উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ ৰাজ্যখনত লেণ্ড বেংক স্থাপনৰ দিহা কৰা হৈছে বুলি তেওঁ কয়। এই ক্ষেত্ৰত ৰাজহ বিভাগে ৰাজহ আদায়ৰ ক্ষেত্ৰত যোৱা এটা বছৰত বহু পদক্ষেপ গ্ৰহণ কৰিছে। ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত ভূমি ৰাজহ আইনৰ অধীনত অধিগৃহিত ভূমিৰ মূল্য নিৰ্দ্ধাৰণ, অনুকম্পা ইত্যাদি সংক্ৰান্তত উপায়ুক্তসকলক কৰ্তৃত্ব প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ লগতে কয়। তদুপৰি, উদ্যোগ স্থাপনৰ বাবে লেণ্ড বেংকৰ পৰা ভূমি লীজত দিয়াৰ ক্ষেত্ৰত ৰাজহ বিভাগ আৰু উপায়ুক্তৰ কাৰ্যালয়লৈ নোযোৱাকৈ উদ্যোগ বিভাগক প্ৰয়োজনীয় আপত্তিবিহীন প্ৰমাণপত্ৰ দিয়াৰ কৰ্তৃত্ব প্ৰদান কৰাৰ নীতি হাতত লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভূমি পৰিৱৰ্তনৰ ক্ষেত্ৰত সংশ্লিষ্ট চক্ৰ

বিষয়াৰ ওপৰত দায়িত্ব ন্যস্ত থকাৰ লগতে চি এন জি আস্থান স্থাপনৰ ক্ষেত্ৰত সংশ্লিষ্ট উপায়ুক্তৰ কাৰ্যালয়ক কৰ্তৃত্ব প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যত বাণিজ্যিক সূচলতাৰ বাবে এটা 'ই অ ডি বি' পোৰ্টেল মুকলি কৰা হৈছে। আজিৰ এই মত-বিনিময় অনুষ্ঠানত অইল, এন আৰ এল, আছাম গেছ কোম্পানী, গেছ ক্ৰেকাৰ, চালিমাৰ, ডালমিয়া চিমেণ্ট আদিকে ধৰি বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে ভাগ লয়।

উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ উপস্থিতিত ৰাজ্যখনৰ চূণ-শিল আৰু লৌহ আকৰিক খণ্ডত নিলাম প্ৰক্ৰিয়াৰ বাবে ভূ-তত্ত্ব আৰু খনি সঞ্চালকালয়, অসম আৰু এছ বি আই কেপিটেল মাৰ্কেটচ লিমিটেডৰ মাজত এক বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হয়। চূণ-শিল আৰু লৌহ আকৰিক খণ্ডত নিলাম প্ৰক্ৰিয়াৰ পৰা ৰাজহ উৎপাদন ৫০ বছৰৰ ভিতৰত ক্ৰমান্বয়ে ৪৩,৮৫০ কোটি আৰু ১৮৫০ কোটি টকা হ'ব বুলি ধাৰণা কৰা হৈছে। ইয়ে নিয়োগ সৃষ্টিৰ লগতে চুন-শিল, লোহা, তীখা আৰু চিমেণ্ট উদ্যোগৰ ক্ষেত্ৰত ৰাজ্যখনে এক বিকাশৰ দিশত গতি কৰিব বুলি আশা কৰা হৈছে।

আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, শক্তি, খনি আৰু খনিজ আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা, অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননীগোপাল মহন্ত, ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু উদ্যোগসমূহৰ প্ৰতিনিধি, আগশাৰীৰ উদ্যোগপতি আৰু গণ্য-মান্য লোকসকল উপস্থিত থাকে।

**হেংশঃ**
**১৬/০৬/২০২২**